**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 24-12-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাৰত বিৰোধী সংগঠন আৰু নেটৱৰ্ক ধৰা পেলাবলৈ বন্ধু ৰাষ্ট্ৰৰ সৈতে চোৰাংচোৱা সমন্বয় কৌশল প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

২। আজি ৰাষ্ট্ৰীয় গ্ৰাহক দিৱস। এই দিৱসৰ সৈতে সংগতি ৰাখি গ্ৰাহক পৰিক্ৰমা বিভাগে জাগো গ্ৰাহক জাগো এপ, জাগৃতি এপ আৰু জাগৃতি ডেছবোৰ্ড নামেৰে তিনিটা এপ মুকলি কৰিব।

৩। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি গুজৰাটৰ বদন নগৰত মাই ভাৰত সু-শাসন পদযাত্ৰাৰ পতাকা উত্তোলন কৰিব। **আৰু**

৪। ভাৰতীয় মহিলা ক্ৰিকেট দলটোৱে আজি আই চি চি চেম্পিয়নশ্বিপৰ তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত ৱেষ্ট ইণ্ডিজৰ মুখামুখি হ'ব।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাৰত বিৰোধী সংগঠন আৰু নেটৱৰ্ক ধৰা পেলাবলৈ বন্ধু ৰাষ্ট্ৰৰ সৈতে চোৰাংচোৱা সমন্বয় কৌশল প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত ৩৭ সংখ্যক চোৰাংচোৱা ব্যুৰ'ৰ শতবাৰ্ষিকী অনুষ্ঠানত বক্তৃতা প্ৰদান কৰি শ্ৰীশ্বাহে কয়, যে জটিল আন্তঃগাঁথনিৰ ওপৰত আক্ৰমণ, চাইবাৰ আক্ৰমণৰ দৰে প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'বলৈ উৎকৃষ্ট চিন্তাধাৰাৰ প্ৰয়োজন। চোৰাংচোৱা ব্যুৰ'ৰ প্ৰশংসা কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে কৰ্মপদ্ধতি, সতৰ্কতা, সজাগতা, ত্যাগ আৰু নিষ্ঠাৰ পৰম্পৰাৰ বাবে আজি দেশ সুৰক্ষিত। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নিৰাপত্তা সংস্থাসমূহে বিগত পাঁচ বছৰত নিৰ্ণায়ক ভূমিকা পালন কৰি আধিপত্য স্থাপন কৰিছে। যিকোনো নিৰাপত্তা সংস্থাৰ সফলতা ইয়াৰ কৰ্মশক্তি আৰু কৰ্মীসকলক প্ৰশিক্ষণ দিয়া ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰা হয় বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে ভুল তথ্য প্ৰতিহত কৰিবলৈ এটা শক্তিশালী পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভতো আলোকপাত কৰে। অনাগত দিনত চোৰাংচোৱা আৰু আইন প্ৰয়োগকাৰী সংস্থাসমূহে এ আই আৰু শিক্ষণৰ ব্যৱহাৰ বৃদ্ধি কৰিব লাগিব বুলিও তেওঁ মন্তব্য কৰে। শ্ৰীশ্বাহে কয়, যে ২০৪৭ চনৰ ভিতৰত সম্পূৰ্ণ উন্নত ভাৰত লাভ কৰিবলৈ নিৰাপত্তা সংস্থাসমূহে সকলো সম্ভাব্য ভাবুকিৰ কল্পনা কৰি জাতিটোক ইয়াৰ পৰা ৰক্ষা কৰিবলৈ উপযুক্ত পৰিকল্পনা প্ৰস্তুত কৰিব। তেওঁ লগতে ক্ৰিপ্টো মুদ্ৰাৰ বাবে ব্লক চেইন বিশ্লেষণ সঁজুলি ব্যৱহাৰৰ সময় আহি পৰিছে বুলি প্ৰকাশ কৰে। ভুৱা ফোনকল আৰু ই-মেইলৰ বিৰুদ্ধে তৎকালীন আৰু নিৰ্ণায়ক ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ আলোকপাত কৰি তেওঁ কয়, দেশৰ শত্ৰুসকলে এই উপায়সমূহৰ জৰিয়তে জনসাধাৰণৰ মাজত ভয় আৰু সন্ত্ৰাসৰ পৰিৱেশ সৃষ্টি কৰিছে।

০০০০০

আজি ৰাষ্ট্ৰীয় গ্ৰাহক দিৱস। গ্ৰাহক আন্দোলনৰ গুৰুত্ব তথা প্ৰতিজন গ্ৰাহকৰ অধিকাৰ আৰু দায়িত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে প্ৰতিবছৰে আজিৰ দিনটোতে ৰাষ্ট্ৰীয় গ্ৰাহক দিৱস পালন কৰা হয়।

উল্লেখযোগ্য যে আজিৰ দিনটোতে গ্ৰাহক সুৰক্ষা আইন, ১৯৮৬ প্ৰণয়ন কৰা হৈছিল। এই আইনখনৰ লক্ষ্য হৈছে গ্ৰাহকসকলক বিভিন্ন ধৰণৰ শোষণৰ বিৰুদ্ধে ফলপ্ৰসূ সুৰক্ষা প্ৰদান কৰা।

০০০০০

ৰাষ্ট্ৰীয় গ্ৰাহক দিৱস উপলক্ষে কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় গ্ৰাহক দিৱস উপলক্ষে আয়োজিত এখন সভাত সভাপতিত্ব কৰিব। এই সভাত মন্ত্ৰীগৰাকীয়ে গ্ৰাহকৰ অধিকাৰ সুৰক্ষাৰ বাবে বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰিব বুলিও প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে এই পদক্ষেপসমূহৰ ভিতৰত ই-মেপ' প'ৰ্টেল, এ আই সক্ষম ৰাষ্ট্ৰীয় গ্ৰাহক হেল্পলাইন ২.০, জাগো গ্ৰাহক জাগো এপ, জাগৃতি এপ আৰু জাগৃতি ডেছবোৰ্ড অন্যতম বুলি গ্ৰাহক পৰিক্ৰমা মন্ত্ৰালয় এটা বিবৃতিত প্ৰকাশ কৰে। এই অনুষ্ঠান ১৩টা প্ৰতিষ্ঠিত ই-কমাৰ্চ কোম্পানীয়েও গ্ৰাহকৰ সুৰক্ষা নিশ্চিত কৰি সুৰক্ষাৰ প্ৰতিশ্ৰুতিত স্বাক্ষৰ কৰিব। উল্লেখযোগ্য যে এইবাৰৰ ৰাষ্ট্ৰীয় গ্ৰাহক দিৱসৰ বিষয়বস্তু হৈছে ভাৰ্চুৱেল শুনানী আৰু গ্ৰাহকৰ ন্যায়ৰ ডিজিটেল প্ৰৱেশ।

০০০০০

ৰাষ্ট্ৰীয় গ্ৰাহক দিৱস উপলক্ষে আজি গ্ৰাহক পৰিক্ৰমা বিভাগে জাগো গ্ৰাহক জাগো এপ, জাগৃতি এপ আৰু জাগৃতি ডেছবোৰ্ড নামেৰে তিনিটা এপ মুকলি কৰিব। এই এপসমূহৰ মূল লক্ষ্য হৈছে কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা কৰ্তৃপক্ষৰ আৰ্হিৰ বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ ব্যৱস্থাসমূহৰ সামৰ্থ বৃদ্ধি কৰা।

আনহাতে জাগো গ্ৰাহক জাগো এপৰ লক্ষ্য হৈছে গ্ৰাহকৰ অনলাইন কাৰ্যকলাপৰ সময়ত সকলো ইউনিভাৰ্ছেল ৰিছ'ৰ্চ লিংক চমুকৈ ইউ আৰ এলৰ বিষয়ে প্ৰয়োজনীয় ই-কমাৰ্চ প্ৰদান কৰাৰ লগতে ইউ আৰ এলৰ ক্ষেত্ৰত সৃষ্টি হোৱা অসুৰক্ষিত ব্যৱস্থাসমূহৰ বিষয়ে সতৰ্ক কৰি দিয়া। জাগৃতি এপৰ জৰিয়তে ব্যৱহাৰকাৰীয়ে অবৈধ ঘোষণা কৰা এটা বা ততোধিক ডাৰ্ক পেটাৰ্ণৰ উপস্থিতিৰ সন্দেহ কৰা ইউনিভাৰ্ছেল ৰিছ'ৰ্চ লিংক চমুকৈ ইউ আৰ এলৰ ৰিপোৰ্টসমূহ প্ৰদান কৰিব পাৰিব। উল্লেখযোগ্য যে এই প্ৰতিবেদনসমূহ সাম্ভাব্য প্ৰতিকাৰ আৰু পৰৱৰ্তী ব্যৱস্থাৰ বাবে কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা কৰ্তৃপক্ষক অভিযোগ হিচাপে পঞ্জীয়ন কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি গুজৰাটৰ বদন নগৰত হ'বলগীয়া **মাই ভাৰত সু-শাসন পদযাত্ৰাৰ** পতাকা উত্তোলন কৰিব। প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্মবাৰ্ষিকী উপলক্ষে ৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই যাত্ৰাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰক্ষা সাদচেও উপস্থিত থাকিব। উল্লেখযোগ্য যে ভাৰতীয় সংবিধানৰ ৭৫ বছৰীয়া জয়ন্তী উদযাপনৰ অংশ হিচাপে আয়োজিত এই অনুষ্ঠানত প্ৰায় ১৫ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব। আমাৰ সংবাদদাতাই জনোৱা মতে যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ লগতে ভাৰতৰ চহকী ঐতিহ্যক উদযাপনৰ বাবে অনন্য বিষয়বস্তুৰ ওপৰত প্ৰদান কৰে। কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মন্দাভিয়াই এবছৰৰ ভিতৰত ১২টা পদযাত্ৰা অনুষ্ঠিত কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জীৱনৰ সৈতে জড়িত বিভিন্ন স্থান সামৰি টানাৰিৰি মন্দিৰত আৰম্ভ হোৱা এই পদযাত্ৰাৰ আজিৰ সামৰণি পৰিব। উল্লেখযোগ্য যে এই পদযাত্ৰাত অটল বিহাৰী বাজপেয়ীৰ জীৱন আৰু আদৰ্শৰ সৈতে সংগতি ৰাখি বিভিন্ন স্থানত সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰাৰ লগতে উন্নত ভাৰত ২০৪৭ গঢ়ি তোলাৰ ক্ষেত্ৰত সাংবিধানিক মূল্যবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰ আজি ছদিনীয়া ভ্ৰমণসূচীৰে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাব। এই ভ্ৰমণকালত তেওঁ আমেৰিকাৰ বিদেশ মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক, আঞ্চলিক তথা বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনাত মিলিত হ'ব। ড° জয়শংকৰে দেশখনৰ কনচুল জেনেৰেলছ্ অৱ ইণ্ডিয়াৰ এখন সন্মিলনত অধ্যক্ষতা কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৰোজগাৰ মেলা উপলক্ষে ৭১ হাজাৰতকৈও অধিক নিযুক্তি পত্ৰ বিতৰণ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিগত ডেৰ বছৰত দেশত প্ৰায় ১০ লাখ লোকক চৰকাৰী সংস্থাপন দিয়া হৈছে বুলি সদৰী কৰে। তেওঁ কয়, যে এই নিযুক্তিসমূহ সম্পূৰ্ণ স্বচ্ছভাৱে প্ৰদান কৰা হৈছে আৰু নিযুক্তিপ্ৰাপ্তসকলে সম্পূৰ্ণ একাগ্ৰতাৰে দেশৰ সেৱাত ব্ৰতী হৈ আছে। দেশৰ মুঠ ৪৫টা স্থানত নিযুক্তি পত্ৰ বিতৰণৰ বাবে ৰোজগাৰ মেলাৰ আয়োজন কৰা হয়। বিভিন্ন চৰকাৰী বিভাগ আৰু মন্ত্ৰালয়ৰ খালী পদ পূৰণৰ দিশত পদক্ষেপ হিচাপে এই ৰোজগাৰ মেলাসমূহত লাখ লাখ নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। নিযুক্তিপ্ৰাপ্ত সকলে গৃহ পৰিক্ৰমা, উচ্চ শিক্ষা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিত্তীয় সেৱা আদি বিভাগত যোগদান কৰিব। পশ্চিমবংগত মুঠ ৫৩৫ জন, মধ্যপ্ৰদেশত ৮৭১ জন, মিজোৰামত ৯১ জন, গুজৰাটত ২৮৭ জনক কেন্দ্ৰৰ বিভিন্ন বিভাগত নিযুক্তি প্ৰদান কৰা হৈছে। গুজৰাটৰ গান্ধীনগৰত আয়োজিত ৰোজগাৰ মেলাত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মাণ্ডভিয়াই কয় যে চৰকাৰে স্বচ্ছতাৰে ১০ লাখ চাকৰি প্ৰত্যাশীক সংস্থাপনৰ লক্ষ্য বান্ধি লৈছে। হায়দৰাবাদত আয়োজিত ৰোজগাৰ মেলাত কেন্দ্ৰীয় মন্ত্ৰী কিষাণ ৰেড্ডী আৰু বান্ধি সঞ্জয় কুমাৰে অংশগ্ৰহণ কৰে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে এইবাৰৰ গণৰাজ্য দিৱসৰ পেৰেড আৰু প্ৰদৰ্শনীৰ বিষয়বস্তু হ'ব 'স্বৰ্ণিম ভাৰত: বিৰাসত ঔৰ বিকাশ'। কৰ্তব্য পথত হবলগীয়া সাংস্কৃতিক প্ৰদৰ্শনী আৰু পেৰেডত অংশগ্ৰহণৰ বাবে এইবাৰ ১৫খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত ৰাজ্য নিৰ্বাচন কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি অংশগ্ৰহণকাৰী ৰাজ্যসমূহৰ ভিতৰত অন্ধ্ৰ প্ৰদেশ, বিহাৰ, চণ্ডীগড়, দাদৰ নগৰ হাভেলী আৰু দমন আৰু ডিউ, গোৱা, গুজৰাট, হাৰিয়ানা, ঝাৰখণ্ড, কৰ্ণাটক আদি অন্যতম। এই ৰাজ্যসমূহৰ লগতে কেন্দ্ৰৰ ১১টা মন্ত্ৰালয় আৰু বিভাগকো নিৰ্বাচন কৰা হৈছে। নিৰ্বাচিত গোটসমূহে ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ শক্তি আৰু অহৰহ বিকশিত সংস্কৃতিক প্ৰতিফলিত কৰি বিশ্ববাসীৰ সন্মুখত 'স্বৰ্ণিম ভাৰত - বিৰাসত ঔৰ বিকাশ'ৰ ধাৰণা প্ৰদৰ্শন কৰিব।

০০০০০

উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ভি ৰামা সুব্ৰমনিয়ানক ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ নতুন অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ন্যায়াধীশ ৰামা সুব্ৰমনিয়ানক নিযুক্তি প্ৰদান কৰে। আনহাতে প্ৰিয়ংক কানুংগ আৰু ন্যায়াধীশ ড০ বিদ্যুৎ ৰঞ্জন সাৰঙ্গীকো আয়োগৰ সদস্য হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে ন্যায়াধীশ ৰামা সুব্ৰমনিয়ানে ২০১৯ চনৰ ২৩ ছেপ্তেম্বৰত উচ্চতম

ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি লাভ কৰাৰ পাছত ২০২৩ চনৰ ২৯ জুনত অৱসৰ গ্ৰহণ কৰে। উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ অৰুণ কুমাৰ মিশ্ৰই চলিত বৰ্ষৰ ১ জুনত আয়োগৰ অধ্যক্ষৰ কাৰ্যকাল সমাপ্ত কৰাৰ পাছত ন্যায়াধীশ ৰামা সুব্ৰমনিয়ানক আয়োগৰ নতুন অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়।

০০০০০

মহিলা ক্ৰিকেটত আজি আই চি চি চেম্পিয়নশ্বিপৰ তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত বদোদৰাৰ কোটাম্বি ষ্টেডিয়ামত ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব। খেলখন আজি দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। দেওবাৰে একেটা ষ্টেডিয়ামতে অনুষ্ঠিত প্ৰথমখন এদিনীয়াত ভাৰতে আলহী দলটোক ২১১ ৰানত পৰাস্ত কৰিছিল। ভাৰতীয় দলটোৱে টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাত জয়লাভ কৰাৰ লক্ষ্য বান্ধি লৈছে।হৰমনপ্ৰীত কৌৰৰ অনুপস্থিতিত স্মৃতি মান্ধনাৰ নেতৃত্বত ভাৰতীয় মহিলা ক্ৰিকেটৰ দলটোৱে টি-২০ শৃংখলাত শক্তিশালী প্ৰদৰ্শন কৰিছে।

০০০০০

বেডমিণ্টনত কালি ৮৬ সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত এম ৰঘুৱে গুৱাহাটী মাষ্টাৰছৰ বিজয়ী সতীশ কুমাৰ কেক পুৰুষৰ একক শাখাৰ ছেমি ফাইনেলত ২১-১৭, ২১-১৭ ফলাফলত পৰাস্ত কৰে। ফাইনেলত ৰঘুৱে মিথুন মঞ্জুনাথৰ বিৰুদ্ধে খেলিব। ইয়াৰ পূৰ্বে মিথুন মঞ্জুনাথে ছেমিফাইনেলত ৰৌনাক চৌহানক ২১-১৫, ২১-১৩ ফলাফলত পৰাস্ত কৰিছিল। মহিলাৰ একক ফাইনেলত দেৱীকা সিহাগ আৰু শ্ৰিয়ানশী বালিশ্বেট্টী মুখামুখি হব। মহিলাৰ ডাবলছৰ ফাইনেলত শ্ৰুতি মিশ্ৰ আৰু প্ৰিয়া দেৱী কনজেংবামেৰ যুটিটোৱে আৰাথী চাৰা সুনীল আৰু বৰ্শিনী ভি এছৰলবিৰুদ্ধে খেলিব। একেদৰে পুৰুষৰ ডাবলছৰ ফাইনেলত নবীন পি আৰু লোকেশ ভিৰ যুটীটোৱে আৰ্শ মহম্মদ আৰু সংস্কাৰ সৰস্বতৰ মুখামুখি হব।

০০০০০

সমাপ্ত